# "দৰিদ্ৰতা : কি? সীমাৰেখা আৰু শ্ৰেণীবিভাগ"

For 6th Semester
Economics (General)
Paper — E-604

Aparna Sengupta
Associate Professor
HOD, Department of Economics

## দৰিদ্ৰতা কি ? (What is Poverty?) :—

দৰিদ্ৰতা হ'ল তৃতীয় বিশ্বৰ দেশসমূহে সন্মুখীন হোৱা এক আৰ্থ-সামাজিক সমস্যা বা পৰিঘটনা। সম্পদ আৰু আয়ৰ অসমানতাৰ ফলত সৃষ্টি হোৱা দৰিদ্ৰতাই মানুহৰ স্বাস্থ্য, সুৰক্ষা, শিক্ষা-দীক্ষা, উৎপাদনশীলতা, খাদ্য-বস্ত্ৰ, বাসস্থান আদিত ঋণাত্মক প্ৰভাৱ পেলায়। দৰিদ্ৰ লোক গাঁও আৰু নগৰ উভয় অঞ্চলতে দেখা যায়। দৰিদ্ৰ লোকৰ (গ্ৰাম্য আৰু নগৰ-উভয়তে) বেকাৰ-অনাহাৰ, পুষ্টিহীনতা, ৰক্তহীনতা, আৰ্থিক-আয়ৰ অস্থিৰতা, ভয়-ভাবৰ সৃষ্টি, অপুষ্ট শিশু আদি অনেক সমস্যা দেখা যায়। পৰিকল্পনাৰ সময়ৰ পৰাই ভাৰতবৰ্ষত এই সমস্যাই ভয়াবহ ৰূপ লৈ সামগ্ৰিক অৰ্থ ব্যৱস্থাটোক জোকাৰি গৈছে। ভাৰতবৰ্ষৰ দৰিদ্ৰতাৰ সমস্যা অতি গভীৰ আৰু ব্যাপক।

## দৰিদ্ৰ কোন ? (Who is Poor?)

জীৱন নিৰ্বাহৰ বাবে ন্যূনতম প্ৰয়োজনীয়খিনি, যেনে — খাদ্য, বস্ত্ৰ, বাসস্থান আদি পূৰণ কৰিব নোৱাৰি বৰ্তি থকা কৰি থকা, প্ৰাথমিক উৎপাদনক্ষমতাৰ নিম্নতৰ হৈ থকা থকা, তেনে ধৰণৰ লোকক দৰিদ্ৰ (Poor) বুলি কোৱা হয়।

## দৰিদ্ৰ সীমাৰেখা :— (The Poverty Line ?)

দৰিদ্ৰ সীমাৰেখা হ'ল ধনী আৰু দুখীয়া শ্ৰেণীক বিভাজন কৰা তথা আয় বিতৰণৰ অসমতা নিৰ্ধাৰণ কৰা এক চেদবিন্দু। এই চেদবিন্দুৰ ওপৰত থকা লোকক ধনী শ্ৰেণী আৰু নিম্নাংশত থকা লোকসকলক দুখীয়া শ্ৰেণীৰ লোক হিচাপে চিহ্নিত কৰা হয়। আয়ৰ বিতৰণ অথবা ভোগ ব্যয়িত কৰা ব্যয়ৰ ওপৰত নিৰ্ভৰ কৰি দাৰিদ্ৰৰ সীমাৰেখা নিৰ্ধাৰিত হয়। দৰিদ্ৰ সীমাৰেখা নিৰ্ধাৰণ কৰা পদ্ধতি দুটা হ'ল—

১। কেলৰি ভিত্তিক পদ্ধতি—

২। জনমূৰি মাহিলি ব্যয় পদ্ধতি—

## দৰিদ্ৰতাৰ শ্ৰেণীবিভাগ :— (Classification of Poverty)

দৰিদ্ৰ লোকসকলক দুটা শ্ৰেণীত অন্তৰ্ভুক্ত কৰা হয়। সেয়া হ'ল —

### ক) আপেক্ষিক দৰিদ্ৰতা :— (Relative Poverty)

বিভিন্ন অঞ্চলৰ দুখীয়া লোকৰ তুলনামূলক হিচাপে আপেক্ষিক দৰিদ্ৰতা বুলি কোৱা হয়। যদি বিভিন্ন লোকৰ আয়ৰ এক তুলনামূলক অধ্যয়ন কৰা হয়, তেতিয়া কিছুমান লোক আন কিছুমান লোকতকৈ তুলনামূলকভাৱে নিম্ন আয়ৰ লোক হিচাপে চিহ্নিত হয়। এইসকল

লোকে তুলনামূলক ভাৱে বা আপেক্ষিক ভাৱে দৰিদ্ৰতাই গ্ৰাস কৰা লোক বুলি কোৱা হয়। আমি যদি ধৰি লওঁ যে A ৰাষ্ট্ৰখনৰ লোকসকলৰ আয় আৰু জীৱন নিৰ্বাহৰ মান B ৰাষ্ট্ৰখনৰ তুলনাত নিম্নস্তৰৰ, তেতিয়া A ৰাষ্ট্ৰখনৰ জনসাধাৰণক আপেক্ষিকভাৱে দৰিদ্ৰ বোলা হয়। ৰাষ্ট্ৰসংঘৰ এক প্ৰতিবেদন মৰ্মে যিবিলাক দেশৰ লোকৰ দৈনিক জনমূৰি আয় ২.২৫ ডলাৰৰ কম বা বছৰি ৪৫৫ ডলাৰৰ কম, তেনে ৰাষ্ট্ৰক আপেক্ষিকভাৱে দৰিদ্ৰ দেশ বুলি কোৱা হয়।

**ঘ) চৰম/চূড়ান্ত দৰিদ্ৰতা (Absolute Poverty) :—**

এখন দেশৰ জনসাধাৰণৰ আয়/উপাৰ্জনৰ পৰিমাণ অতি নিম্নস্তৰৰ হৈ জীৱন নিৰ্বাহৰ প্ৰয়োজনীয় আৱশ্যকতাখিনি পূৰণ কৰিব নোৱাৰা অৱস্থাটোক চৰম বা চূড়ান্ত দৰিদ্ৰতাৰ অৱস্থা বুলি কোৱা হয়। প্ৰায়বোৰ অনুন্নত দেশত চূড়ান্ত দৰিদ্ৰতাৰ অৱস্থা বৰ্তি আছে। চূড়ান্ত দৰিদ্ৰতাই আয় আৰু সম্পদৰ বৈষম্যৰ ফলত সৃষ্টি হোৱা আৰ্থিকভাৱে অতি পিছপৰা আৰু দুৰ্বল শ্ৰেণীটোক প্ৰতিনিধিত্ব কৰে। আমাৰ দেশত চূড়ান্ত দৰিদ্ৰতাৰ জোখ দাৰিদ্ৰ সীমাৰেখাৰ—

প্ৰতিস্থাপিত কৰা হয়। ধনী আৰু দুখীয়া শ্ৰেণীৰ লোকৰ হিচাপ বা ভোগ জনমূৰি আয়ৰ হিচাপ অনুসৰি হয়।

## আপেক্ষিক আৰু চৰম দৰিদ্ৰতাৰ পাৰ্থক্য :— (Differences of Relative and Absolute Poverty):—

আপেক্ষিক আৰু চৰম দৰিদ্ৰতাৰ পাৰ্থক্যসমূহ তলে দিয়া হ'ল —

১। আপেক্ষিক দৰিদ্ৰতা হ'ল দুখন দেশৰ মাজত হোৱা দৰিদ্ৰতাৰ অথবা দৰিদ্ৰলোকৰ তুলনামূলক বিশ্লেষণ, আনহাতে চৰম দৰিদ্ৰতা হ'ল সীমাৰেখাৰ তলত বাস কৰা নিম্নতমৰ জীৱন নিৰ্বাহ কৰা লোকৰ সমষ্টি।

২। আপেক্ষিক দৰিদ্ৰতাৰ জোখ কৰা হয় কেলৰি ভিত্তিক পদ্ধতি প্ৰয়োগৰ দ্বাৰা। চৰম দৰিদ্ৰতাৰ জোখ কৰা হয় আন্তৰ্জাতিক মুদ্ৰাৰ মূল্য, যেনে — ডলাৰৰ মূল্যমানৰ দ্বাৰা।

৩। আপেক্ষিক দৰিদ্ৰতাৰ কাৰণ হ'ল সম্পদ আৰু আয়ৰ অসম বিতৰণ। চৰম দৰিদ্ৰতাৰ মূল কাৰণ হ'ল জনমূৰি ব্যয়ৰ অসমানতা।

৪। আপেক্ষিক দৰিদ্ৰতা স্বল্পকালীন কিন্তু

চূড়ান্ত দারিদ্র্যের দীর্ঘকালীন।

৫। আপেক্ষিক দারিদ্র্য হল উন্নয়নশীল রাষ্ট্রের প্রধান আর্থ-সামাজিক সমস্যা। চূড়ান্ত দারিদ্র্য হল উন্নয়নশীল আরও অনুন্নত — এই দুই শ্রেণীর রাষ্ট্রেরই প্রধান আর্থ-সামাজিক সমস্যা।

৬। আপেক্ষিক দারিদ্র্যের মূলত সাময়িক, কিন্তু চূড়ান্ত দারিদ্র্যের দীর্ঘস্থায়ী।

---